# PAPER-II
# ASSAMESE

**Signature and Name of Invigilator**

1. (Signature) ___________________________

   (Name) ______________________________

2. (Signature) ___________________________

   (Name) ______________________________

OMR Sheet No. : ..............................................
(To be filled by the Candidate)

Roll No. | | | | | | | | |
(In figures as per admission card)

Roll No.__________________________________
(In words)

**J 3 6 1 4**

Time : **1 $^1/_4$** hours] [Maximum Marks : **100**

Number of Pages in this Booklet : **12** Number of Questions in this Booklet : **50**

## Instructions for the Candidates

1. Write your roll number in the space provided on the top of this page.
2. This paper consists of fifty multiple-choice type of questions.
3. At the commencement of examination, the question booklet will be given to you. In the first 5 minutes, you are requested to open the booklet and compulsorily examine it as below :
   (i) To have access to the Question Booklet, tear off the paper seal on the edge of this cover page. Do not accept a booklet without sticker-seal and do not accept an open booklet.
   (ii) **Tally the number of pages and number of questions in the booklet with the information printed on the cover page. Faulty booklets due to pages/questions missing or duplicate or not in serial order or any other discrepancy should be got replaced immediately by a correct booklet from the invigilator within the period of 5 minutes. Afterwards, neither the Question Booklet will be replaced nor any extra time will be given.**
   (iii) After this verification is over, the OMR Sheet Number should be entered on this Test Booklet.
4. Each item has four alternative responses marked (A), (B), (C) and (D). You have to darken the circle as indicated below on the correct response against each item.
   **Example :** Ⓐ Ⓑ ● Ⓓ
   where (C) is the correct response.
5. Your responses to the items are to be indicated in the **OMR Sheet given inside the Paper I Booklet only.** If you mark at any place other than in the circle in the OMR Sheet, it will not be evaluated.
6. Read instructions given inside carefully.
7. Rough Work is to be done in the end of this booklet.
8. If you write your Name, Roll Number, Phone Number or put any mark on any part of the OMR Sheet, except for the space allotted for the relevant entries, which may disclose your identity, or use abusive language or employ any other unfair means such as change of response by scratching or using white fluid, you will render yourself liable to disqualification.
9. You have to return the test question booklet and Original OMR Sheet to the invigilators at the end of the examination compulsorily and must not carry it with you outside the Examination Hall. You are, however, allowed to carry original question booklet and duplicate copy of OMR Sheet on conclusion of examination.
10. **Use only Blue/Black Ball point pen.**
11. **Use of any calculator or log table etc., is prohibited.**
12. **There is no negative marks for incorrect answers.**

## परीक्षार्थियों के लिए निर्देश

1. इस पृष्ठ के ऊपर नियत स्थान पर अपना रोल नम्बर लिखिए ।
2. इस प्रश्न-पत्र में पचास बहुविकल्पीय प्रश्न हैं ।
3. परीक्षा प्रारम्भ होने पर, प्रश्न-पुस्तिका आपको दे दी जायेगी । पहले पाँच मिनट आपको प्रश्न-पुस्तिका खोलने तथा उसकी निम्नलिखित जाँच के लिए दिये जायेंगे, जिसकी जाँच आपको अवश्य करनी है :
   (i) प्रश्न-पुस्तिका खोलने के लिए उसके कवर पेज पर लगी कागज की सील को फाड़ लें । खुली हुई या बिना स्टीकर-सील की पुस्तिका स्वीकार न करें ।
   (ii) **कवर पृष्ठ पर छपे निर्देशानुसार प्रश्न-पुस्तिका के पृष्ठ तथा प्रश्नों की संख्या को अच्छी तरह चैक कर लें कि ये पूरे हैं । दोषपूर्ण पुस्तिका जिनमें पृष्ठ/प्रश्न कम हों या दुबारा आ गये हों या सीरियल में न हों अर्थात् किसी भी प्रकार की त्रुटिपूर्ण पुस्तिका स्वीकार न करें तथा उसी समय उसे लौटाकर उसके स्थान पर दूसरी सही प्रश्न-पुस्तिका ले लें । इसके लिए आपको पाँच मिनट दिये जायेंगे । उसके बाद न तो आपकी प्रश्न-पुस्तिका वापस ली जायेगी और न ही आपको अतिरिक्त समय दिया जायेगा ।**
   (iii) इस जाँच के बाद OMR पत्रक की क्रम संख्या इस प्रश्न-पुस्तिका पर अंकित कर दें ।
4. प्रत्येक प्रश्न के लिए चार उत्तर विकल्प (A), (B), (C) तथा (D) दिये गये हैं । आपको सही उत्तर के वृत्त को पेन से भरकर काला करना है जैसा कि नीचे दिखाया गया है ।
   **उदाहरण :** Ⓐ Ⓑ ● Ⓓ
   जबकि (C) सही उत्तर है ।
5. प्रश्नों के उत्तर **केवल प्रश्न पत्र I के अन्दर दिये गये OMR पत्रक पर ही** अंकित करने हैं । यदि आप OMR पत्रक पर दिये गये वृत्त के अलावा किसी अन्य स्थान पर उत्तर चिह्नांकित करते हैं, तो उसका मूल्यांकन नहीं होगा ।
6. अन्दर दिये गये निर्देशों को ध्यानपूर्वक पढ़ें ।
7. कच्चा काम (Rough Work) इस पुस्तिका के अन्तिम पृष्ठ पर करें ।
8. यदि आप OMR पत्रक पर नियत स्थान के अलावा अपना नाम, रोल नम्बर, फोन नम्बर या कोई भी ऐसा चिह्न जिससे आपकी पहचान हो सके, अंकित करते हैं अथवा अभद्र भाषा का प्रयोग करते हैं, या कोई अन्य अनुचित साधन का प्रयोग करते हैं, जैसे कि अंकित किये गये उत्तर को मिटाना या सफेद स्याही से बदलना तो परीक्षा के लिये अयोग्य घोषित किये जा सकते हैं ।
9. आपको परीक्षा समाप्त होने पर प्रश्न-पुस्तिका एवं मूल OMR पत्रक निरीक्षक महोदय को लौटाना आवश्यक है और परीक्षा समाप्ति के बाद उसे अपने साथ परीक्षा भवन से बाहर न लेकर जायें । हालांकि आप परीक्षा समाप्ति पर मूल प्रश्न-पुस्तिका तथा OMR पत्रक की डुप्लीकेट प्रति अपने साथ ले जा सकते हैं ।
10. **केवल नीले/काले बाल प्वाईंट पेन का ही इस्तेमाल करें ।**
11. **किसी भी प्रकार का संगणक (कैलकुलेटर) या लाग टेबल आदि का प्रयोग वर्जित है ।**
12. **गलत उत्तरों के लिए कोई नकारात्मक अंक नहीं हैं ।**

# ASSAMESE

## অসমীয়া

## Paper – II

## প্ৰশ্নকাকত– II

**Note :** This paper contains **fifty (50)** objective type questions, each question carrying **two (02)** marks. Attempt **all** the questions.

**টোকা :** এই প্ৰশ্ন কাকতত বহু বিকল্পীয় **(৫০) (পঞ্চাছ)** টা প্ৰশ্ন আছে । প্ৰতিটো প্ৰশ্নৰ মূল্যাঙ্ক **দুই** (২) । উত্তৰ পত্ৰত শুদ্ধ উত্তৰটো চিহ্নিত কৰা । সকলো প্ৰশ্নৰ উত্তৰ লিখিবা ।

**1.** "সমস্ত ৰসক কোনে জানিবাক পাৰে ।
পখীসৱ উৰয় যেন পখা অনুসাৰে ।।"
উক্ত পদফাঁকিৰ ৰচক কোন ?
(A) দুৰ্গাবৰ কায়স্থ (B) অনন্ত কন্দলি
(C) মাধৱ কন্দলি (D) শংকৰদেৱ

**2.** 'হৰ-গৌৰী সংবাদ' কাৰ ৰচনা ?
(A) কবিৰত্ন সৰস্বতী
(B) হেম সৰস্বতী
(C) ৰাম সৰস্বতী
(D) শুভনাথ দ্বিজ সৰস্বতী

**3.** হৰ প্ৰসাদ শাস্ত্ৰীয়ে নেপালৰ দৰবাৰ গ্ৰন্থাগাৰৰ পৰা অনা 'চৰ্য্যাচৰ্যবিনিশ্চয়' নামৰ পুথিখনৰ মূল গ্ৰন্থখনিৰ নাম -
(A) চৰ্য্যাগীতি কোষ (B) দোহাকোষ
(C) চৰ্য্যাগীতি (D) চৰ্য্যাপদ

**4.** ৰাৱণৰ অঙ্গে ৰূপ সীতাৰ বলিল
অঞ্জন পৰ্বতে যেন মাণিক জ্বলিল ।।
ৰাক্ষসৰ কোলে দেৱী পৰম নিৰ্মল ।
মেঘক কৰিয়া যেন চন্দ্ৰৰ মণ্ডল ।।
উক্ত স্তৱকটিত কি অলংকাৰ প্ৰয়োগ কৰিছে ?
(A) ৰূপক (B) উৎপ্ৰেক্ষা
(C) উপমা (D) ব্যতিৰেক

**5.** 'ৰাতি সেৱা' কোন সংহতিৰ ধৰ্মীয় আচাৰ ?
(A) নিকা সংহতি (B) কাল সংহতি
(C) পুৰুষ সংহতি (D) ব্ৰহ্ম সংহতি

**6.** 'ফুৰালুঙ্' কোন জনগোষ্ঠীৰ অনুষ্ঠান ?
(A) আহোম (B) দেউৰী
(C) ৰাভা (D) মিচিং

**7.** 'মাছৰ কুমলীয়া শ'ল
দিন দুপৰত, মাউৰা কোঁৱৰ
বুঢ়ীমাকৰ ওচৰলৈ গ'ল ।
উক্ত গীত ফাঁকি কোনটো কাহিনী গীতত পোৱা যায় ?
(A) মণি কোঁৱৰৰ গীত
(B) ফুল কোঁৱৰৰ গীত
(C) বদন বৰফুকনৰ গীত
(D) চিকণ সৰিয়হৰ গীত

**8.** তলৰ কোন খন বুৰঞ্জী সূৰ্য্যকুমাৰ ভূঞাৰ সম্পাদিত নহয় ?
(A) তুংখুঙীয়া বুৰঞ্জী
(B) দেওধাই অসম বুৰঞ্জী
(C) পুৰণি অসম বুৰঞ্জী
(D) সাতসৰী অসম বুৰঞ্জী

9. সূৰ্য খড়ি দৈৱজ্ঞই কোচ ৰজাসকলৰ বিৱৰণখন তলত উল্লেখ কৰা কোনটো নামেৰে প্ৰকাশ হৈছে ?
(A) শিৱ বংশাৱলী
(B) ৰাজ ৱংশাৱলী
(C) দৰং ৰাজ বংশাৱলী
(D) সমুদ্ৰ নাৰায়ণ বংশাৱলী

10. নৰকাসুৰৰ চৰিত্ৰ অঙ্কন কৰা শংকৰদেৱৰ নাটখন -
(A) ৰুক্মিণী হৰণ (B) কেলি গোপাল
(C) পত্নীপ্ৰসাদ (D) পাৰিজাত হৰণ

11. তলৰ কোনটো চনলৈকে 'অৰুণোদই সম্বাদ পত্ৰ' প্ৰকাশ পাইছিল ?
(A) ১৮৮২-৮৩ (B) ১৮৮৩-৮৪
(C) ১৮১৮-১৯ (D) ১৮৮৯-৯০

12. তলৰ কোন শ্ৰেণীৰ শব্দ সমবৰ্গীয় শব্দসাধনমূলক শ্ৰেণীৰ ভিতৰত ধৰা হয় ?
(A) খাৱন, গমন, ৰান্ধনি, ফুলাম
(B) জোনাক, সোণাৰী, ধানতলী, ফুলনি
(C) দন্দুৰা, সমনীয়া, মৰমিয়াল, মগনীয়া
(D) হাতকুৰি, বাবুগিৰি, লাজকুৰিয়া, বোকাময়

13. অসমীয়া লিপিৰ বিষয়ে লিখা প্ৰথম জন গ্ৰন্থ প্ৰণেতা -
(A) উপেন্দ্ৰনাথ গোস্বামী
(B) মহেন্দ্ৰ বৰা
(C) সৰ্বেশ্বৰ কটকী
(D) নাৰায়ণ দাস

14. লক্ষ্মীনাথ বেজবৰুৱাই বাঁহী কিমান চনলৈকে সম্পাদনা কৰিছিল ?
(A) ১৯২৬ (B) ১৯২৭
(C) ১৯২৮ (D) ১৯২৯

15. 'শব্দাৰ্থৌ সহিতৌ কাব্যম্' – এই উক্তিটো কাৰ ?
(A) ভামহ (B) বামন
(C) দণ্ডী (D) কুন্তক

16. 'মাইহাং' হ'ল -
(A) বড়ো ভাষাৰ শব্দ
(B) আহোম ভাষাৰ শব্দ
(C) ৰাভা ভাষাৰ শব্দ
(D) মিচিং ভাষাৰ শব্দ

17. 'আলু ৰুইলাম শাৰী শাৰী
কলা ৰুইলাম দুই বাড়ী;
ভাল কৰে কাটবে কলা
টুচু যাব শশুৰ বাড়ী'।
উক্ত গীতটিৰ নামটো হ'ল -
(A) টুচু আদৰণী গীত
(B) টুচু বৰ বিচৰাৰ গীত
(C) টুচু জাগৰণী গীত
(D) টুচু বিবাহৰ গীত

18. চড়ক পূজা পালন কৰা হয় -
(A) ব'হাগ মাহত (B) জেঠ মাহত
(C) চ'ত মাহত (D) ফাগুন মাহত

19. 'থাক্' ধাতু হৈছে -

(A) ধ্বন্যাত্মক ধাতু (B) নাম ধাতু

(C) অনিয়মিত ধাতু (D) যৌগিক ধাতু

20. লাচিতে আমাৰ কয় ধৰ মাৰ

শত্ৰুক কৰি দে বাজ ।

পিচমুৰা হই পিঠি দেখুৱাই

নানিবি দেশৰ লাজ ।।

উক্ত বাক্যটিত প্ৰকাশিত হোৱা 'ৰস' বিধৰ নাম -

(A) করুণ ৰস (B) বীভৎস ৰস

(C) ভয়ানক ৰস (D) বীৰ ৰস

তলৰ **21**-অৰ পৰা **25**-অলৈ থকা প্ৰশ্নসমূহত দিয়া প্ৰতিটো মন্তব্য যুক্তিৰে বিশ্লেষণ কৰি বা কাৰ্যকাৰণ নিৰ্ণয় কৰি (A), (B), (C), (D) চাৰিটা বিকল্প দিয়া হৈছে । তাৰে পৰা শুদ্ধ উত্তৰটো চিহ্নিত কৰা :

21. তুমি নিৰঞ্জন পাতক ভঞ্জন ।

দানৱ গঞ্জন গোপিকা ৰঞ্জন ।।

উক্ত কবিতাফাঁকিত ব্যৱহৃত অলংকাৰটিৰ নাম -

(A) বৃত্তানুপ্ৰাস (B) লাটানুপ্ৰাস

(C) অন্ত্যানুপ্ৰাস (D) ছেকানুপ্ৰাস

22. হেৰা হেৰা বাটৰুৱা

মৰমৰ ভাইহঁত ।

নেৰিবা নেৰিবা মোক

এই মায়া বজাৰত ।।

উক্ত কবিতাফাঁকিত ব্যৱহৃত ছন্দটিৰ নাম -

(A) হ্ৰস্ব পয়াৰ (B) দীৰ্ঘ পয়াৰ

(C) লনি পয়াৰ (D) দুলড়ী

23. অসমীয়া ভাষাত ব্যাকৰণসিদ্ধ লিঙ্গ নাই -

(A) অসমীয়া ব্যাকৰণত লিঙ্গৰ বিষয়ে আলোচনা পোৱা নাযায় ।

(B) লিঙ্গ বিষয়টো অসমীয়া ব্যাকৰণৰ বিষয় নহয় ।

(C) অসমীয়া ভাষাত লিঙ্গ ব্যাকৰণে নিৰ্ণয় কৰি নিদিয়ে ।

(D) লিঙ্গৰ ভিন্নতা অনুযায়ী অসমীয়া ভাষাত ক্ৰিয়াৰূপৰ সলনি নহয় ।

24. অসমীয়া ভাষাৰ নিৰ্দিষ্টতাবাচক সৰ্গবোৰ বিভক্তিমূলক সৰ্গ ।

(A) নিৰ্দিষ্টতাবাচক সৰ্গবোৰ বিশেষ্য আৰু বিশেষণ শব্দৰ পাছত যোগ হয় ।

(B) নিৰ্দিষ্টতাবাচক সৰ্গবোৰৰ সংযোগে শব্দৰ শ্ৰেণী পৰিবৰ্তন নকৰে ।

(C) নিৰ্দিষ্টতাবাচক সৰ্গবোৰে নতুন শব্দ সাধন কৰে ।

(D) নিৰ্দিষ্টতাবাচক সৰ্গবোৰে নতুন শব্দ সাধন নকৰে ।

25. 'তেল দিলো শলিতা দিলো

স্বৰ্গত দিলো বন্তিহে;

সন্ধ্যা কালে পূজা কৰো

তোমাৰ চৰণহে ।'

উক্ত গীতফাঁকি তলৰ কোন শ্ৰেণী গীতৰ অন্তৰ্গত –

(A) বিয়া নাম (B) আই নাম

(C) দুৰ্গা নাম (D) যোৰা নাম

তলৰ **26**-ৰ পৰা **30**-লৈ থকা প্ৰতিটো প্ৰশ্নৰ লগত চাৰিটাকৈ প্ৰসঙ্গ দিয়া আছে আৰু উত্তৰ স্বৰূপে সেই প্ৰসঙ্গসমূহৰ পৰা চাৰিটা বিকল্প জোঁট (combination) (A), (B), (C), (D) দিয়া আছে । শুদ্ধ উত্তৰটো বাছি উলিওৱা :

**26.** একাধাৰে গীত আৰু উপন্যাস ৰচনাত সিদ্ধ হস্ত দুজন লেখক -

i. লীলা গগৈ ii. নৱকান্ত বৰুৱা

iii. দণ্ডিনাথ কলিতা iv. হিতেশ ডেকা

(A) ii আৰু iv (B) i আৰু iv

(C) i আৰু ii (D) ii আৰু iii

**27.** ভ্ৰমণ কাহিনীকাৰ আৰু গল্প-লেখকৰূপে পৰিচিত -

i. নগেন শইকীয়া ii. যোগেশ দাস

iii. ভবেন বৰুৱা iv. লক্ষ্মীনন্দন বৰা

(A) i আৰু iv (B) ii আৰু iii

(C) i আৰু iii (D) iii আৰু iv

**28.** একাধাৰে ভাষাবিদ আৰু অনুবাদক -

i. সত্যেন্দ্ৰ নাৰায়ণ গোস্বামী

ii. নগেন ঠাকুৰ

iii. গোলোকচন্দ্ৰ গোস্বামী

iv. ভীমকান্ত বৰুৱা

(A) i আৰু iii (B) i আৰু ii

(C) ii আৰু iv (D) ii আৰু iii

**29.** একাধাৰে কবি আৰু নাট্যকাৰ -

i. অতুলচন্দ্ৰ হাজৰিকা

ii. গণেশ গগৈ

iii. ৰঘুনাথ চৌধাৰী

iv. সাৰদাকান্ত বৰদলৈ

(A) i আৰু iv (B) i আৰু iii

(C) ii আৰু iii (D) i আৰু ii

**30.** সাহিত্য অকাদেমি বঁটা বিজয়ী দুজন লেখক হ'ল -

i. নিৰুপমা বৰগোহাঞি

ii. মামনি ৰয়চম গোস্বামী

iii. লক্ষহীৰা দাস

iv. এলি আহমেদ

(A) i আৰু iii (B) ii আৰু iv

(C) i আৰু ii (D) ii আৰু iii

**31**-ৰ পৰা **45**-লৈ দিয়া প্ৰশ্নসমূহৰ 'ক' স্তম্ভত দিয়া বিষয়ৰ লগত সম্পৰ্ক থকা 'খ' স্তম্ভত দিয়া বিষয়সমূহ মিলাই (A), (B), (C), (D) এই চাৰিটা বিকল্প দেখুওৱা হৈছে । তাৰে পৰা শুদ্ধ বিকল্পটো চিহ্নিত কৰা ।

**31.**

| **'ক' স্তম্ভ** | **'খ' স্তম্ভ** |
|---|---|
| a. সোণাপতি দেৱ শৰ্মা | i. সাহিত্য-আলোচনা |
| b. তীৰ্থনাথ শৰ্মা | ii. ৰমন্যাসবাদ |
| c. ত্ৰৈলোক্যনাথ গোস্বামী | iii. সাহিত্য বিদ্যা পৰিক্ৰমা |
| d. মহেন্দ্ৰ বৰা | iv. সাহিত্যৰ সাজ |

| | a | b | c | d |
|---|---|---|---|---|
| (A) | ii | i | iii | iv |
| (B) | iv | iii | i | ii |
| (C) | iii | iv | ii | i |
| (D) | i | ii | iv | iii |

**32.**

| **'ক' স্তম্ভ** | **'খ' স্তম্ভ** |
|---|---|
| a. গতি | i. সত্যেন্দ্ৰ নাৰায়ণ গোস্বামী |
| b. ৰামধেনু | ii. অম্বিকাগিৰি ৰায়চৌধুৰী |
| c. পূৰ্বাকাশ | iii. ভূপেন হাজৰিকা |
| d. চেতনা | iv. বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য |

| | a | b | c | d |
|---|---|---|---|---|
| (A) | i | ii | iii | iv |
| (B) | ii | iii | iv | i |
| (C) | iii | iv | i | iii |
| (D) | iv | i | iii | ii |

33. ‘ক’ স্তম্ভ ‘খ’ স্তম্ভ

| | | | |
|---|---|---|---|
| a. | দাৰনী | i. | বিশেষণ |
| b. | ৰূপহ | ii. | বিশেষ্য |
| c. | ঘনে-ঘনে | iii. | ধ্বন্যাত্মক শব্দ |
| d. | জিৰ্ জিৰ্ | iv. | ক্রিয়া বিশেষণ |

| | a | b | c | d |
|---|---|---|---|---|
| (A) | ii | i | iv | iii |
| (B) | iii | ii | iii | iv |
| (C) | iv | iii | ii | i |
| (D) | i | iv | i | ii |

34. ‘ক’ স্তম্ভ ‘খ’ স্তম্ভ

| | | | |
|---|---|---|---|
| a. | Descriptive Catalogue of Assamese Manuscript | i. | Suniti Kumar Chatterji |
| b. | Studies in the literature of Assam | ii. | Birinchi Kumar Barua |
| c. | Assamese Literature | iii. | Surjya Kumar Bhuyan |
| d. | The origin and development of the Bengali Language | iv. | Hemchandra Goswami |

| | a | b | c | d |
|---|---|---|---|---|
| (A) | i | ii | iii | iv |
| (B) | ii | iii | iv | i |
| (C) | iii | iv | i | ii |
| (D) | iv | iii | ii | i |

35. ‘ক’ স্তম্ভ ‘খ’ স্তম্ভ

| | | | |
|---|---|---|---|
| a. | ডিমাছা | i. | পয়চাংকেন |
| b. | নেপালী | ii. | প:ৰাগ |
| c. | মিচিং | iii. | তীজ |
| d. | চিংফৌ | iv. | গেৰবা |

| | a | b | c | d |
|---|---|---|---|---|
| (A) | ii | iv | i | iii |
| (B) | iii | ii | iv | i |
| (C) | iv | iii | ii | i |
| (D) | i | ii | iii | iv |

36. ‘ক’ স্তম্ভ ‘খ’ স্তম্ভ

| | | | |
|---|---|---|---|
| a. | সুবাসিত যি যন্ত্রণা | i. | হীৰেন ভট্টাচার্য |
| b. | সুগন্ধি পখিলা | ii. | ভবেন বৰুৱা |
| c. | সোণালী জাহাজ | iii. | সনন্ত তাঁতী |
| d. | মই মানুহৰ অমল উৎস | iv. | কৰবী ডেকা হাজৰিকা |

| | a | b | c | d |
|---|---|---|---|---|
| (A) | i | ii | iii | iv |
| (B) | iv | i | ii | iii |
| (C) | ii | iii | i | iv |
| (D) | iii | i | iv | ii |

**37.** **'ক' স্তম্ভ** **'খ' স্তম্ভ**

a. ভাষাবিজ্ঞান i. ভগৱান মৰল

b. ভাষাবিজ্ঞানৰ ভূমিকা ii. উপেন্দ্ৰনাথ গোস্বামী

c. ভাষাতত্ত্ব iii. ৰমেশ পাঠক

d. আধুনিক ভাষাবিজ্ঞান iv. দীপ্তি ফুকন পাটগিৰি

| | a | b | c | d |
|---|---|---|---|---|
| (A) | ii | iii | iv | i |
| (B) | i | ii | iii | iv |
| (C) | iii | iv | i | ii |
| (D) | iv | i | ii | iii |

**38.** **'ক' স্তম্ভ** **'খ' স্তম্ভ**

a. অসমীয়া সাহিত্যত দৃষ্টিপাত i. সত্যেন্দ্ৰনাথ শৰ্মা

b. অসমীয়া সাহিত্যৰ ৰূপৰেখা ii. সত্যেন্দ্ৰ নাৰায়ণ গোস্বামী

c. অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত iii. মহেশ্বৰ নেওগ

d. অসমীয়া সাহিত্যৰ কথা iv. হেমন্ত কুমাৰ শৰ্মা

| | a | b | c | d |
|---|---|---|---|---|
| (A) | i | ii | iii | iv |
| (B) | iv | iii | i | ii |
| (C) | ii | iv | ii | i |
| (D) | iii | i | iv | ii |

**39.** **'ক' স্তম্ভ** **'খ' স্তম্ভ**

a. দেউৰী সংস্কৃতি i. ভৃগুমণি কাগয়ুং

b. মিচিং সংস্কৃতিৰ আলেখ্য ii. ডম্বৰুধৰ দেউৰী

c. বড়ো কছাৰীৰ সমাজ আৰু সংস্কৃতি iii. বাণীকান্ত কাকতি

d. কলিতা জাতিৰ ইতিবৃত্ত iv. ভবেন নাৰ্জী

| | a | b | c | d |
|---|---|---|---|---|
| (A) | i | ii | iii | iv |
| (B) | ii | i | iv | iii |
| (C) | iv | iii | ii | i |
| (D) | iii | iv | i | ii |

**40.** **'ক' স্তম্ভ** **'খ' স্তম্ভ**

a. বাঘে টাপুৰ ৰাতি i. নগেন শইকীয়া

b. বন্ধ কোঠাত ধুমুহা ii. অপূৰ্ব শৰ্মা

c. বেলি ফুলৰ সপোন iii. যোগেশ দাস

d. পৃথিৱীৰ অসুখ iv. অণিমা দত্ত

| | a | b | c | d |
|---|---|---|---|---|
| (A) | iii | ii | i | iv |
| (B) | iv | iii | ii | i |
| (C) | ii | i | iv | iii |
| (D) | i | ii | iii | iv |

41. 'ক' স্তম্ভ — 'খ' স্তম্ভ

| 'ক' স্তম্ভ | | 'খ' স্তম্ভ |
|---|---|---|
| a. পলাশৰ জুই নুমাল এতিয়া | i. | বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য |
| b. বিষ্ণু ৰাভা, এতিয়া কিমান ৰাতি | ii. | নৱকান্ত বৰুৱা |
| c. সি বিচৰা চিঠিখন আজিও নাহিল | iii. | কেশৱ মহন্ত |
| d. আঘোণৰ কুঁৱলীয়ে বাটভেটি কৰিছে আমনি | iv. | মহেন্দ্ৰ বৰা |

| | a | b | c | d |
|---|---|---|---|---|
| (A) | i | ii | iii | iv |
| (B) | iii | i | iv | ii |
| (C) | iv | iii | ii | i |
| (D) | ii | i | iv | iii |

42. 'ক' স্তম্ভ — 'খ' স্তম্ভ

| 'ক' স্তম্ভ | | 'খ' স্তম্ভ |
|---|---|---|
| a. নিবিড় বনেযে মাতিছে যা | i. | কেশৱ মহন্ত |
| b. চকুজুৰাই ৰূপে যাৰ সি মন জুৰাব পাৰেনে | ii. | নিৰ্মল প্ৰভা বৰদলৈ |
| c. প-কাধানৰ মাজে মাজে সৰু সৰু আলি | iii. | ভূপেন হাজৰিকা |
| d. পৰহি পুৱাতে টুলুঙা নাৱতে ৰংমন মাছলৈ গ'ল | iv. | ৰুদ্ৰ বৰুৱা |

| | a | b | c | d |
|---|---|---|---|---|
| (A) | ii | i | iv | iii |
| (B) | iv | iii | ii | i |
| (C) | i | ii | iii | iv |
| (D) | iii | iv | i | ii |

43. 'ক' স্তম্ভ — 'খ' স্তম্ভ

| 'ক' স্তম্ভ | | 'খ' স্তম্ভ |
|---|---|---|
| a. Ablant | i. | অপিনিহিতি |
| b. Assimilation | ii. | অপশ্ৰুতি |
| c. Epenthesis | iii. | মূৰ্দ্ধন্যীভৱন |
| d. Cerebralisation | iv. | সমীভৱন |

| | a | b | c | d |
|---|---|---|---|---|
| (A) | ii | iv | i | iii |
| (B) | i | ii | iii | iv |
| (C) | iii | i | iv | ii |
| (D) | iv | iii | ii | i |

44. 'ক' স্তম্ভ — 'খ' স্তম্ভ

| 'ক' স্তম্ভ | | 'খ' স্তম্ভ |
|---|---|---|
| a. -কণ (ল'ৰাকণ) | i. | বহুবচনাত্মক - প্ৰত্যয় |
| b. -বোৰ (ঘৰবোৰ) | ii. | নিৰ্দিষ্টতাবাচক - প্ৰত্যয় |
| c. -চোন (আহিবাচোন) | iii. | অনিৰ্দিষ্টতাবাচক - প্ৰত্যয় |
| d. -মান (দুখনমান) | iv. | স্বাৰ্থিক প্ৰত্যয় |

| | a | b | c | d |
|---|---|---|---|---|
| (A) | i | ii | iii | iv |
| (B) | ii | i | iv | iii |
| (C) | iii | iv | ii | i |
| (D) | iv | iii | ii | i |

45. 'ক' স্তম্ভ — 'খ' স্তম্ভ

| 'ক' স্তম্ভ | | 'খ' স্তম্ভ |
|---|---|---|
| a. জেলিয়াং | i. | অসম |
| b. নিচি | ii. | নগালেণ্ড |
| c. আইতন | iii. | অৰুণাচল |
| d. লুচাই | iv. | মিজোৰাম |

| | a | b | c | d |
|---|---|---|---|---|
| (A) | i | ii | iv | iii |
| (B) | iv | iii | ii | i |
| (C) | ii | iii | i | iv |
| (D) | iii | iv | i | ii |

তলত দিয়া কথাখিনি মনোযোগেৰে পঢ়ি তাৰ তলত দিয়া **46**-ৰ পৰা **50**-লৈ প্ৰশ্নকেইটাৰ শুদ্ধ উত্তৰ (A), (B), (C), (D) ৰ মাজৰ পৰা বাছি উলিওৱা :

সাধাৰণতে সংস্কৃতি বুলিলে সুকুমাৰ কলাকে বুজায় আৰু বিশেষভাৱে তাকে বুজাবলৈ 'সংস্কৃতি' শব্দৰ ব্যৱহাৰ কৰা হয় । কিন্তু দৰাচলতে সংস্কৃতিয়ে সমস্ত মানুহৰ চিন্তা আৰু কৰ্ম্মক সামৰি ধৰিছে । মানুহৰ চিন্তাশক্তি আৰু কৰ্ম্মশক্তি সীমাবদ্ধ । তাৰ উপৰিও মানুহৰ বেলেগ বেলেগ স্বভাৱ আৰু মনোভঙ্গী, ৰুচি ইত্যাদি সুকীয়া; ইয়াৰ বাবেই গুণ স্বভাৱ আৰু ভবা আৰু কৰাৰ ক্ষমতা অনুযায়ী বেলেগ বেলেগ ব্যক্তিয়ে আৰু বেলেগ বেলেগ সমষ্টিয়ে সমাজৰ চিন্তাৰ ৰাজ্যত আৰু কৰ্ম্মৰ ৰাজ্যত বেলেগ বেলেগ কাম কৰি যায় । ইয়েই কৰ্ম্ম বিভাগ (division of labour) আৰু চিন্তা বিভাগ (division of thinking) সৃষ্টি কৰিছে । বহুসময়ত মানুহে পাৰস্পৰিক সম্বন্ধ আৰু অবিভাজ্য এটা জাতীয় জীৱনৰ যে সেইবোৰ বিভাগহে তাক পাহৰি যায় আৰু প্ৰায় উপলব্ধি কৰিব নোৱৰা হয় বা নোৱাৰেই । কিন্তু আজি সঁচাকৈয়ে মানৱ জাতি আহি এটা সভ্যতা সংস্কৃতিৰ অতি ওখ স্তৰত উঠিছেহি, তেন্তে নিজৰ শক্তিৰ আৰু গুণৰ সীমাৱদ্ধতাৰ বাবে যদিও এটা বিশেষ কামত তেওঁ নিয়োজিত হয় আৰু তাৰ বিশেষজ্ঞও হয়, তথাপিও যে সেই খণ্ড চিন্তা বা কৰ্ম্ম এটা সম্পূৰ্ণ বস্তুৰ পৰিপূৰক বা অনুপূৰক হিচাবেহে হৈছে তাক সম্পূৰ্ণৰূপে উপলব্ধি কৰি সেইদৰে জাগ্ৰত হৈ থাকিব লাগিব । যেনেকৈ বিশ্বকবিয়ে নিখিল বিশ্বপ্ৰাণৰ সৈতে নিজকে একে বুলি উপলব্ধি কৰে - তেওঁৰ সকলো কৰ্ম্ম আৰু চিন্তা সেই বিৰাট প্ৰাণৰ এটা ক্ষুদ্ৰ অংশ হিচাপে কৰি এই বিৰাট সৃষ্টিত তেওঁৰ সেইখিনি দান বুলি ভাবে, সেইদৰে আজিৰ নাগৰিকেও সমাজৰ সম্বন্ধত নিজৰ বিশিষ্টতা ভালকৈ বুজি ল'ব লাগিব । তেতিয়া হ'লেই মানুহৰ গোটেই জীৱনটোৱেই যে এটা সাংস্কৃতিক অভিযান তাক উপলব্ধি কৰিব পাৰিব । মানুহটো হৈছে এটা সাংস্কৃতিক জীৱ । মানুহৰ ক্ৰমবিকাশৰ বুৰঞ্জী হৈছে মানুহৰ সংস্কৃতিৰ আৰু বৈপ্লৱিক ৰূপান্তৰৰ বুৰঞ্জী । মানৱ সংস্কৃতিৰ দুটা ভাগ । এটা হৈছে অন্তৰ ভাগ আৰু এটা হৈছে বহিৰ্ভাগ । অন্তৰ ভাগৰ প্ৰকাশ হয় আধ্যাত্মিক উপলব্ধিত, মানসিক উৎকৰ্ষণত, মনৰ গুণবোৰৰ বিকাশ আৰু তাৰ পূৰ্ণতা হয় এই সকলোবোৰৰ মন্থনত পোৱা জ্ঞানত ! বহিঃসংস্কৃতি প্ৰকাশ পায় বাস্তৱ (material) জীৱনৰ চিন্তা আৰু কৰ্ম্মৰ যোগেদি, যাক আৱশ্যকীয়তা আৰু সৌন্দৰ্য্য সাধনৰ ফালৰপৰা কৰা যায় । বাস্তৱ সংস্কৃতিৰ প্ৰধান আলম বা অৱলম্বন আৰু মাধ্যম হৈছে আৰ্থিক বা সাম্পদিক প্ৰচেষ্টাঅৰ্থনীতি । সেই কাৰণে বাস্তৱিক সংস্কৃতি প্ৰকাশৰ বাহনটো অৰ্থনীতি হোৱাত কেৱল মানৱ জীৱনৰ বাস্তৱিক সাম্পদিক প্ৰকাশটো অকলে চালে মানুহটোক এটা অৰ্থনৈতিক জীৱ (man is an economic being) বুলি ক'লেও ক'ব পাৰি । মানুহৰ সংজ্ঞা সেইটোৱেই সম্পূৰ্ণ কৰিব নোৱাৰে । মোৰ চিন্তাৰে আৰু মোৰ উপলব্ধিৰে মই কওঁ আৰু সম্পূৰ্ণৰূপে কোনো দ্বিধা সন্দেহ নথকাকৈ পতিয়ন গৈছোঁ যে মানুহ এটা সাংস্কৃতিক জীৱ । অৱশ্যে বাস্তৱিক সংস্কৃতি প্ৰকাশৰ প্ৰধান অৱলম্বন যে অৰ্থনীতি, তাত কোনো সন্দেহ নাই । আনকি অন্তৰ

সংস্কৃতিৰো আকৌ এক হিচাপে গুৰিতে অৰ্থনীতি । আপুনি যি মনটোৰে আত্মিক মানসিক বিকাশ কৰি অন্তৰ সংস্কৃতি সৃষ্টি কৰিব-তাৰ বাবে আপোনাৰ দেহাটো লাগিব । আত্মহত্যা কৰি কোনেও বিকাশ লাভ কৰিব নোৱাৰে । মন আৰু আত্মাক সংস্কৃতিৰ যোগেদি এই সূক্ষ্মতম স্তৰলৈ নিব লাগিব । তেহে সূক্ষ্ম বিশ্বসত্তাৰ লগত লীন হ'ব পাৰিব । তাৰ বাবেই আৰু তাকে কৰিবলৈ আপোনাক দেহাটো লাগিব । কিন্তু দেহাৰ পোষক হ'ল অন্ন, ভাত । সেইবাবে অৰ্থনীতি আধ্যাত্মিক প্ৰকাশ বা উন্নতিৰো গুৰিতেই । সংস্কৃতিৰ প্ৰধান অৱলম্বন হৈছে তেন্তে অৰ্থনীতি । সেই কাৰণে অৰ্থনীতিৰ বিপৰ্যয় হ'লে দেশৰ সংস্কৃতিৰ নানা সৌন্দৰ্য্যমণ্ডিত বৰঘৰটো ভাগি পৰি যাব । সেইদৰেই আকৌ সংস্কৃতিৰ অন্তৰ ভাগৰ কোনো বিভাগত কেৰোণ লাগিলে তাৰ প্ৰতিক্ৰিয়া অৰ্থনীতিত পৰি মানৱৰ সভ্যতা সংস্কৃতিৰ বিপদ ঘটায় । নৈতিকতা অন্তৰ সংস্কৃতিৰ বস্তু-তাৰ বাস্তৱ সংস্কৃতিৰ ওপৰত প্ৰভাৱ আছে । ধৰক, ব্ৰহ্মপুত্ৰৰ ওপৰত এখন দলং দিয়াৰ বাবে দহ কোটি টকা দিয়া হ'ল । সেই টকাৰ ঠিক হিচাপ মতে কৰিলে দলংখন মজবুত হ'ব, ভাল হ'ব । যদি অন্তৰ সংস্কৃতি ভ্ৰষ্ট হোৱা দুৰ্নীতিপৰায়ণ ঠিকাদাৰে আৰু চৰকাৰৰ সেই বিষয়ৰ দায়িত্বত থকা মানুহজনে পাঁচকোটি টকা খাই বাকী পাঁচ কোটি টকাৰে দলংখন নিশকতীয়াকৈ কৰে, তেন্তে ৰেলখন যাওঁতেও সকলো ভাগি পৰিব । তেন্তে দলংখন বেয়া হৈ গৈ লোকচান হোৱাত অন্তৰ সংস্কৃতিৰ বিকৃতিৰ ফলত জাতীয় অৰ্থনীতিত আঘাত পৰিল ।

**46.** সংস্কৃতি বুলিলে সুকুমাৰ কলাকে বুজায় । ই সকলো মানুহৰ চিন্তা আৰু কৰ্মক সামৰি ধৰিছে । কিয়নো –

(A) সুকুমাৰ কলাই মানুহৰ অভিব্যক্তিৰ প্ৰতিফলন ঘটায়, মানুহৰ চিন্তাশক্তি আৰু কৰ্মশক্তি সুকীয়া সুকীয়া যদিও প্ৰত্যেক মানুহৰ স্বভাৱ আৰু ৰুচি-অভিৰুচিও সুকীয়া বাবে সংস্কৃতি সুকীয়া ৰূপত ফুটি উঠে ।

(B) সুকুমাৰ কলা অবিহনে সংস্কৃতিৰ প্ৰতিফলন নঘটে । প্ৰত্যেক মানুহে নিজ নিজ পৰিবেশত গুণ, স্বভাৱ, ক্ষমতা অনুযায়ী বেলেগ বেলেগ কামৰ সংস্কৃতিক জীপাল কৰি তোলে ।

(C) সুকুমাৰ কলাকেই সংস্কৃতিৰ এক প্ৰধান অংগ হিচাপে ধৰি মানুহে নিজৰ গুণ, স্বভাৱ, চিন্তা অনুযায়ী বেলেগ বেলেগ কৰ্মৰদ্বাৰা সংস্কৃতিৰ বিকাশ ঘটাত অৰিহণা যোগায় ।

(D) মানুহৰ ৰুচি-অভিৰুচিৰ ভিন্নতাৰ বাবে সুকুমাৰ কলা বেলেগ বেলেগ হোৱাৰ বাবে সংস্কৃতিৰ ৰূপো বিচিত্ৰ হয় ।

**47.** আজি সঁচাকৈয়ে মানৱ জাতি আহি এটা সভ্যতা-সংস্কৃতিৰ অতি উচ্চ স্তৰত উপনীত হৈছে । কিয়নো –

(A) মানুহে ক্ষুদ্ৰ কৰ্ম অথবা চিন্তাৰ জৰিয়তে যি কাম কৰিছে সেই কামক পৰিপূৰক আৰু অনুপূৰক হিচাপেহে দিছে বুলি স্বীকাৰ কৰিছে ।

(B) মানুহে কৰা কামবোৰক কামৰ এটা খন্ড বা কৰ্মৰ অংশবুলি উপলব্ধি কৰিব পৰা নাই ।

(C) মানুহে কৰ্ম আৰু চিন্তাৰ জৰিয়তে যি এটা ক্ষুদ্ৰ কাম কৰিছে সেই কৰ্মৰ সুফলক এটা মহৎ দানবুলি সমাজে স্বীকাৰ কৰি লৈছে ।

(D) মানুহে সকলো কৰ্ম আৰু চিন্তাক এটা বৃহৎ কৰ্মৰ ক্ষুদ্ৰ অংশ হিচাপে লৈছে আৰু তাক মহৎ অৱদান বুলি ভাবি লৈছে ।

**48.** মন আৰু আত্মাক সংস্কৃতিৰ যোগেদি সূক্ষ্মতম অৱস্থালৈ নিব পাৰি; এই সূক্ষ্মতম অৱস্থাটো কি ?

(A) আত্মিক মানসিক বিকাশ

(B) আধ্যাত্মিক উপলব্ধি

(C) মানসিক উৎকৰ্ষ সাধন

(D) অৰ্থনীতিৰ আধ্যাত্মিক বিকাশ

**49.** অন্তৰ সংস্কৃতি কেনেদৰে প্ৰকাশ পায় ?

(A) মানুহৰ আধ্যাত্মিক আৰু মানসিক উৎকৰ্ষই লগতে মনৰ ভিতৰত থকা গুণবোৰৰ বহি:প্ৰকাশ ঘটিলে অন্তৰ সংস্কৃতিৰ প্ৰকাশ ঘটে ।

(B) মানুহৰ আধ্যাত্মিক আৰু মানসিক উৎকৰ্ষৰ লগতে মনৰ গুণবোৰে পূৰ্ণতা পালেই অন্তৰ সংস্কৃতিৰ প্ৰকাশ ঘটে ।

(C) মানুহৰ আধ্যাত্মিক আৰু মানসিক উৎকৰ্ষৰ পূৰ্ণতা পালেই অন্তৰ সংস্কৃতিৰ প্ৰকাশ ঘটে ।

(D) মানুহৰ আধ্যাত্মিক আৰু মানসিক উৎকৰ্ষৰ লগতে মনত অন্তৰ্নিহিত গুণবোৰৰ পৰিপূৰ্ণ বিকাশত অন্তৰ সংস্কৃতিৰ প্ৰকাশ ঘটে ।

**50.** সংস্কৃতিৰ প্ৰধান অৱলম্বন হৈছে অৰ্থনীতি কাৰণ –

(A) অৰ্থনীতিয়ে সংস্কৃতিৰ অন্তৰভাগত কেৰোণৰ সৃষ্টি কৰে ।

(B) অৰ্থনীতিৰ প্ৰতিক্ৰিয়াই মানৱ সভ্যতা সংস্কৃতিত বিপৰ্য্যয় ঘটায় ।

(C) অৰ্থনীতিৰ বিপৰ্য্যয়ে সংস্কৃতিৰ বৰঘৰ ভাঙি পেলায় ।

(D) অৰ্থনীতিয়ে সংস্কৃতিৰ আধ্যাত্মিক প্ৰকাশ আৰু উন্নতিত বাধাৰ সৃষ্টি কৰে ।

**Space For Rough Work**